**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-01-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::::::::

১। নতুন দিল্লীত প্ৰধানমন্ত্ৰীৰ বাসভৱনত কৃত্ৰিম বুদ্ধিমত্তা ষ্টাৰ্টআপ সকলৰ সৈতে আজি অনুষ্ঠিত ঘূৰিণীয়া মেজমেলৰ আলোচনাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অধ্যক্ষতা কৰে।

২। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি নতুন দিল্লীত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ পথ মন্ত্ৰীসকলৰ বাৰ্ষিক বৈঠকত অধ্যক্ষতা কৰে।

৩। আধাৰ নামাৰে পৰিচিত ইউ আই ডি এ আই প্ৰাধিকৰণে আজি আধাৰ শুভংকৰ মুকলি কৰে।

৪। দিল্লী আৰক্ষীয়ে ৰাষ্ট্ৰীয় ৰাজধানীত বৈধ ভিছা নোহোৱাকৈ বাস কৰা ৫৪৮ জন বিদেশী লোকক চিনাক্ত কৰিছে।

*আৰু*

৫। নতুন দিল্লীত কাইলৈৰ পৰা ১২ জানুৱাৰীলৈকে দ্বিতীয় সংস্কৰণ বিকশিত ভাৰত যুৱ নেতা আলোচনা ২০২৬ অনুষ্ঠিত হ'ব।

০০০০

নতুন দিল্লীত প্ৰধানমন্ত্ৰীৰ বাসভৱনত কৃত্ৰিম বুদ্ধিমত্তা ষ্টাৰ্টআপ সকলৰ সৈতে আজি অনুষ্ঠিত ঘূৰিণীয়া মেজমেলৰ আলোচনাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অধ্যক্ষতা কৰে। অহা মাহত হ'বলগীয়া India AI Impact Summit ২০২৬ ৰ পৰিপ্ৰেক্ষিতত ১২ টাকৈ ভাৰতীয় এ আই ষ্টাৰ্টআপে AI for ALL: Global Impact Challenge পৰ্যায়ত যোগ্যতা অৰ্জন কৰি এই আলোচনাত অংশগ্ৰহণ কৰে। আলোচনাত তেওঁলোকে নিজৰ কৌশল আৰু কামসমূহ প্ৰদৰ্শন কৰে। এই ষ্টাৰ্টআপ সমূহে ভাৰতীয় ভাষা প্ৰতিষ্ঠান আৰ্হি, ই-বাণিজ্যত কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে ত্ৰিমাত্ৰিক দিশৰ উপস্থাপন, বজাৰ, স্বাস্থ্য যতন আৰু চিকিৎসা গৱেষণা আদি খণ্ডসমূহত কাম কৰি আছে।

এই আলোচনাকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে সমাজলৈ পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ ওপৰত আলোকপাত কৰে। তেওঁ কয়, যে অহা মাহত ভাৰতে India AI Impact সন্মিলন আয়োজন কৰিব। যাৰ জৰিয়তে প্ৰযুক্তিখণ্ডত দেশে এটা উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব। শ্ৰী মোদীয়ে ষ্টাৰ্টআপ সমূহ আৰু কৃত্ৰিম বুদ্ধিমত্তা উদ্যামীসকল ভৱিষ্যৎ ভাৰতৰ ৰূপকাৰ বুলি অভিহিত কৰাৰ লগতে তেওঁ কয়, যে দুয়োটা খণ্ডতে উদ্ভাৱনী আৰু বৃহৎ পৰিসৰত ৰূপায়ণ কৰা দেশৰ সামৰ্থ আছে। তেওঁ লগতে কয়, যে ভাৰতে বিশ্বত এটা ব্যতিক্ৰমী এ আই আৰ্হি প্ৰদৰ্শন কৰা উচিত যিয়ে ভাৰত আৰু বিশ্বৰ উদ্দীপনা প্ৰতিফলিত কৰিব পাৰে। তেওঁ কয়, যে বিশ্বই ভাৰতক বিশ্বাসত লৈছে আৰু ভাৰতৰ এই আই আৰ্হি নীতিগত, পক্ষপাতহীন, স্বচ্ছ আৰু তথ্যৰ গোপনীয়তাৰ নীতিত

আধাৰিত বুলি প্ৰতীয়মান কৰাৰ প্ৰয়োজনীয়তা আছে। কৃত্ৰিম বুদ্ধিমত্তা ষ্টাৰ্টআপসমূহে কৃত্ৰিম বুদ্ধামত্তা খণ্ডত হোৱা দ্ৰুত বিকাশশীল দিশটো আলোকপাত কৰিছে। এই আলোচনাত নেতাসকলে কয়, যে ভাৰতত বৰ্তমান কৃত্ৰিম বুদ্ধিমত্তা বিকাশৰ ক্ষেত্ৰত এটা পৰিৱেশ সৃষ্টি হৈছে আৰু গোলকীয় এ আই মানচিত্ৰত দেশে এটা স্থান দখল কৰিবলৈ সমৰ্থ হৈছে। এই আলোচনাত অৱতাৰ, ভাৰত যেন, ইণ্টেলি হেল্থ, শ্ৰবম, টেক মহিণ্ড্ৰা আৰু জেণ্টিককে ধৰি কৃত্ৰিম বুদ্ধিমত্তা ষ্টৰ্টআপসমূহৰ মুখ্য কাৰ্যবাহী বিষয়া, মুৰব্বী আৰু প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় ইলেকট্ৰিনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু ৰাজ্য মন্ত্ৰী যিতিন প্ৰসাদে এই আলোচনাত অংশগ্ৰহণ কৰে।

০০০০

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি নতুন দিল্লীত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ পথ মন্ত্ৰীসকলৰ বাৰ্ষিক বৈঠকত অধ্যক্ষতা কৰে। শ্ৰীগাডকাৰীয়ে সামাজিক মাধ্যমযোগে কয় যে বৈঠকত পথ সুৰক্ষা, যাত্ৰী আৰু ৰাইজৰ সুবিধা, ব্যৱসায়িক সূচলতা আৰু যান-বাহন নিয়ন্ত্ৰণকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় লৈ গঠনমূলক আলোচনা হয়। মন্ত্ৰীগৰাকীয়ে কয় যে পৰিবহন সংবিধানৰ সমবৰ্তীসূচীৰ বিষয় হোৱা হেতুকে এই ক্ষেত্ৰত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত ঘনিষ্ঠ সমন্বয় গুৰুত্বপূৰ্ণ। তেওঁ কয় যে সম নীতিৰ প্ৰৱৰ্তন, সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদৰ সুদৃঢ়কৰণ আৰু সমগ্ৰ দেশৰ নাগৰিককেন্দ্ৰিক পৰিবহন সমাধানৰ কাৰ্যকৰিতাৰ বাবে এনে ধৰণৰ নিয়মীয়া মত-বিনিময় জৰুৰী।

০০০০

আধাৰ নামাৰে পৰিচিত ইউ আই ডি এ আই প্ৰাধিকৰণে আজি আধাৰ শুভংকৰ মুকলি কৰে। ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে জানিবলৈ দিছে যে, ইয়াৰ ফলত আধাৰৰ লগত জড়িত সকলো ধৰণৰ তথ্য জনসাধাৰণৰ বাবে উপযোগী হ'ব। মন্ত্ৰালয়ে জানিবলৈ দিছে যে, এই শুভংকৰৰ ফলত জনসাধাৰণে আধাৰৰ নৱীকৰণ, প্ৰমাণীকৰণ আৰু অফলাইন ব্যৱস্থাৰে তথ্য সন্নিৱিষ্ট কৰিবলৈ সহায়ক হ'ব। আধাৰ প্ৰাধিকৰণে বিগত বৰ্যত মাইগভ মঞ্চৰ জৰিয়তে দেশজুৰি এই শুভংকৰৰ আৰ্হি প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিল।

০০০০

কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি আৰু পেন্সন ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি কৈছে যে, ভৱিষ্যতৰ বাবে ৰাজহুৱা প্ৰশাসন অতি সহাৰিযুক্ত আৰু অধিক কাৰ্যক্ষম কৰি তোলা বাবে মানৱ বুদ্ধিমত্তাৰ সহায়ত এটা হাইব্ৰিড কৃত্ৰিম বুদ্ধিমত্তা বিকশাই তোলা হ'ব। নতুন দিল্লীত সুপ্ৰশাসনৰ স্বচ্ছতাৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ সামৰ্থ বৃদ্ধিৰ কৰ্মশালাত ভাগ লৈ মন্ত্ৰীগৰাকীয়ে বৃত্ৰিম বুদ্ধিমত্তাক ইতিবাচক দিশত উপযুক্তভাৱে ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে যাতে ন্যায় প্ৰদান আৰু দায়বদ্ধতাৰ ক্ষেত্ৰত সহায়ক হ'ব।

০০০০

জাৰ্মানীৰ ৰাষ্ট্ৰপতি ফ্ৰেংক ৱাল্টাৰ ষ্টেইমাৰে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ বৈদেশীক নীতিক কঠোৰভাৱে সমালোচনা কৰিছে। শ্ৰী ষ্টেইমাৰে কয়, যে ডোনাল্ড ট্ৰাম্পৰ পূৰ্বে গোলকীয় গণতন্ত্ৰত কেতিয়াও আঘাত সনা নাছিল। বিশেষ সূত্ৰ অনুসৰি ভেনিজুৱেলাৰ ৰাষ্ট্ৰপতি নিকোলাচ মাডুৰোৰ বিৰুদ্ধে চলোৱা অভিযানৰ পাছত তেওঁ এই মন্তব্য কৰে। ৰাছিয়াই ক্ৰিমিয়াত কৰা অবৈধ দখল আৰু ইউক্ৰেইনৰ সৈতে সংঘাত অব্যাহত ৰখাৰ ক্ষেত্ৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ হস্তক্ষেপক ৰাষ্ট্ৰপতি ষ্টেইমাৰে এটা ঐতিহাসিক ভুল সিদ্ধান্ত বুলি মন্তব্য কৰিছে। তেওঁ

কয়, যে এই পৰিস্থিতিৰ অৱসানৰ বাবে এটা উপযুক্ত হস্তক্ষেপৰ আৱশ্যেকতা আছে। তেওঁ সমগ্ৰ বিশ্ব সুৰক্ষাৰ দিশত ব্ৰাজিল আৰু ভাৰতৰ লগতে আন দেশসমূহ আগবাঢ়ি অহা উচিত।

০০০০

বীৰগাঁথাৰ পঞ্চম সংস্কৰণত প্ৰায় এক লাখ ৯০ হাজাৰ বিদ্যালয়ৰ পৰা এক কোটি ৯২ লাখ ছাত্ৰ-ছাত্ৰীয়ে অভিলেষ পৰিমাণত অংশ লয়। বীৰগাঁথা হৈছে প্ৰতিৰক্ষা আৰু শিক্ষা মন্ত্ৰালয়ৰ এটা যুটীয়া পদক্ষেপ। প্ৰতিৰক্ষা মন্ত্ৰালয়ে জানিবলৈ দিছে যে, কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ অধীনৰ বিশ্বৰ ১৮ খন দেশৰ ৯১ খন বিদ্যালয়ৰ ২৮ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে প্ৰথমবাৰৰ বাবে এই বীৰগাঁথা সংস্কৰণত ভাগ লৈছে। সমগ্ৰ দেশৰ ১০০ গৰাকী বিজেতাক নিৰ্বাচন কৰা হৈছে। সমাগত গণতন্ত্ৰ দিৱসৰ অনুষ্ঠানত কৰ্তব্য পথৰ কুচকাৱাজত এই নিৰ্বাচিত সকলে ভাগ ল'ব। ছাত্ৰ-ছাত্ৰীসকলৰ উদ্ভাৱনৰ দিশ বিকশাই তোলাৰ লক্ষ্যৰে বিগত বৰ্ষৰ ৮ ছেপ্তেম্বৰত বীৰগাঁথাৰ পঞ্চম সংস্কৰণ মুকলি কৰা হৈছিল।

০০০০

বিজেপিয়ে আজি দোহাৰিছে যে, ভাৰতীয় অৰ্থনীতিয়ে উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে আৰু গোলকীয় প্ৰত্যাহ্বান, অৰ্থনীতি আৰু ভূৰাজনৈতিক অস্থিৰতাৰ মাজতে বিশ্বৰ তৃতীয় অৰ্থব্যৱস্থাৰ দেশ হোৱাৰ দিশত আগুৱাই গৈছে। নতুন দিল্লীৰ দলৰ মুখ্য কাৰ্যালয়ত এখন সংবাদমেলত দলৰ মুখপাত্ৰ গোপাল কৃষ্ণ আগৰৱালে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি হোৱাৰ লগতে উৎপাদন, কৃষি, গ্ৰাম্য অৰ্থনীতি আদিৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। মুখপাত্ৰগৰাকীয়ে কয়, যে সামগ্ৰী আৰু সেৱা কৰৰ সংস্কাৰ সাধন আৰু হ্ৰাস কৰাৰ ফলত সামগ্ৰী আৰু সেৱা কৰ সংগ্ৰহৰ পৰিমাণ উল্লেখযোগ্যভাৱে বৃদ্ধি পাইছে। তেওঁ কয়, যে বিগত বৰ্ষৰ এপ্ৰিলৰ পৰা ছেপ্তেম্বৰলৈকে দেশত সৰ্বাধিক ৪১৯ বিলিয়ন ডলাৰ পৰিমাণৰ ৰপ্তানি কৰা হৈছে।

০০০০

দায়িত্বপূৰ্ণ নাগৰিক হ'বলৈ আত্মসন্মান আৰু দেশপ্ৰেম প্ৰতিগৰাকী লোকৰ বাবে অতি দৰকাৰী প্ৰমূল্য। আজি নতুন দিল্লীত অনুষ্ঠিত গণৰাজ্য দিৱসৰ কাৰ্যসূচীৰ বাবে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, এন চি চিৰ শিবিৰ দৰ্শনৰ সময়ত বায়ুসেনাৰ মুৰব্বী চীফ মাৰ্শ্বাল অমৰপ্ৰীত সিঙে এইদৰে কয়। অপাৰেচন সিন্দুৰ সন্দৰ্ভত আলোকপাত কৰি চীফ মাৰ্শ্বেল সিঙে লগতে কয় যে দেশৰ বাবে অৰিহণা আগবঢ়াবলৈ নাগৰিকসকলক উদ্বুদ্ধ কৰাৰ উদ্দেশ্যে সমগ্ৰ দেশতে সজাগতাৰ পৰিবেশ গঢ়ি তোলাৰ আৱশ্যক আছে। বিভিন্ন ৰাজ্যৰ সাংস্কৃতিক কাৰ্যসূচীসমূহেও ৰাষ্ট্ৰীয় একতাৰ বাৰ্তা বহন কৰে বুলি তেওঁ মন্তব্য কৰে।

০০০০

নতুন দিল্লীত কাইলৈৰ পৰা ১২ জানুৱাৰীলৈকে দ্বিতীয় সংস্কৰণ বিকশিত ভাৰত যুৱ নেতা আলোচনা ২০২৬ অনুষ্ঠিত হ'ব। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই আজি নতুন দিল্লীত এই কথা ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত ডোভালৰ উপস্থিতিত অহা শনিবাৰ আনুষ্ঠানিকভাৱে এই আলোচনা মুকলি কৰা হ'ব। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১২ জানুৱাৰীত এই আলোচনাৰ সামৰণি অনুষ্ঠানত অংশ ল'ব। শ্ৰী মান্দাভিয়াই কয়, যে দেশ আৰু বিদেশৰ ২ হেজাৰ ৫০০ ৰো অধিক যুৱ প্ৰজন্মই এই আলোচনাতভাগ ল'ব। ইছৰোৰ মহাকাশকাষচাৰী গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লা আৰু গ্ৰুপ কেপ্তেইন প্ৰশান্ত নায়ৰে এই আলোচনাত ভাগ লৈ যুৱ প্ৰজন্মৰ প্ৰতিনিধিসকলৰ সৈতে মত বিনিময় কৰিব। ভাৰতীয় মহিলা ক্ৰিকেট দলৰ

কেপ্তেইন হৰমন প্ৰীত কৌৰেও এই আলোচনাত ভাগ ল'ব। তেওঁ লগতে কয়, যে বিভিন্ন ক্ষেত্ৰৰ উল্লেখযোগ্য ব্যক্তি পোলেল্লা গোপীচান্দ, লিয়েণ্ডাৰ পেজ, পালকি শৰ্মা, শিৱব্ৰত দাসৰ লগতে পদ্ম বঁটা প্ৰাপক আৰু যুৱ সাংসদ আৰু বিধায়কসকলেও ইয়াত ভাগ ল'ব।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ পশ্চিমৰ সচিব চি বি জৰ্জে ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষী অভিযান সন্দৰ্ভত সেনাবাহিনীৰ তথ্যব্যৱস্থা আৰু প্ৰশিক্ষণ বিভাগৰ উপ-মুৰব্বী লেফটেনেণ্ট জেনেৰেল বিপুল সিংহলৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষী অভিযানত ভাৰতে ভালেসংখ্যক সেনা আৰু আৰক্ষীৰ সেৱা অন্তৰ্ভুক্তিৰে উল্লেখযোগ্য অৱদান আগবঢ়োৱা বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এটা তথ্যত প্ৰকাশ পাইছে।

০০০০

ঃঃ সমাপ্ত ঃঃ